**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** গীতটো সমগ্ৰ বিশ্বৰ মানৱতাৰ গীত হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ৰাষ্ট্ৰসংঘক অনুৰোধ জনাবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি সুধাকণ্ঠৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকীত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানত মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক চিৰ সেউজ গীতটি পৰিৱেশন কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয়, যে এই গীতটো কেৱল অসমৰেই নহয়, সমগ্ৰ মানৱ জাতিৰে সম্পদ আৰু গীতটোৱে মানৱতাৰ সাৰ্বজনীন অৰ্থ বহন কৰে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

অসম আৰু অৰুণাচল প্ৰদেশৰ সম্পৰ্কক সুধাকণ্ঠই অধিক শক্তিশালী কৰি তুলিছিল বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে বৰেণ্য শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে ধলা-শদিয়াৰ ড° ভূপেন হাজৰিকা সেতুৰ জিৰো পইণ্টত তেওঁৰ প্ৰায় ১০০ ফুট উচ্চতাৰ এটি বিশাল প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে লোকনিৰ্মাণ বিভাগে এই প্ৰতিমূৰ্তি স্থাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে অসমৰ প্ৰতিখন চহৰত এটাকৈ পথ ড° ভূপেন হাজৰিকাৰ নামত উৎসৰ্গা কৰা হ'ব বুলি উল্লেখ কৰে।

অসম আন্দোলনৰ পটভূমিত ছহিদসকলক সুঁৱৰি সুধাকণ্ঠই ৰচনা কৰা **ছহিদ প্ৰণামো তোমাক** শীৰ্ষক গীতটি অহা ১০ ডিচেম্বৰত গুৱাহাটীত নৱনিৰ্মিত ছহিদ স্মাৰক ভৱনৰ উদ্বোধনৰ সৈতে সংগতি ৰাখি সমগ্ৰ ৰাজ্যজুৰি পৰিৱেশনৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ৰাজ্যৰ প্ৰতিখন জিলা সদৰত আজি ৫ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু কলা-কুশলীয়ে মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটি পৰিৱেশন কৰে।

০০০০০০

ৰাস মহোৎসৱ উপলক্ষে ৰাজ্যজুৰি পবিত্ৰ পৰিবেশে বিৰাজ কৰিছে। শৰৎ কালৰ পূৰ্ণিমা তিথিৰ পৰা আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে শ্ৰীকৃষ্ণৰ লীলা শিল্পীৰ দ্বাৰা পৰিবেশনৰ লগতে মৃণ্ময় মূৰ্তিৰ জৰিয়তে আটকধুনীয়াকৈ উপস্থাপন কৰা হৈছে।

সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত ৰাস মহোৎসৱক কেন্দ্ৰ কৰি নদী পৰ্যটনক উজ্জীৱিত কৰাৰ প্ৰচেষ্টা হাতত লোৱা হয়। সেই অনুসৰি জিলাখনৰ টুনী নদীত **বৈকুণ্ঠৰ হৰিনাম টুনীয়েদি উজাই যাম** শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দুপৰীয়া কমলাবাৰীৰ সমীপৰ টুনী নদীৰ পাৰত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছতে টুনী নদীত ৪০ খন নাৱত ভকত-বৈষ্ণৱে নাম কীৰ্তন কৰি নৌকা বিহাৰ উলিয়ায়। ৰাসৰ পৰিপ্ৰেক্ষিতত আজি জিলাখনত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। ৰাজ্যৰ আন আন ঠাইতো কেইবাদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

**চৰাইদেউ** জিলাৰ মোহনগাঁও ৰজাপুখুৰী বৰনামঘৰত কালিৰে পৰা তিনিদিনীয়াকৈ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। **শিৱসাগৰ** নগৰৰ ঢুলীয়াপাৰত এইবাৰ চাৰিদিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হৈছে।

০০০০০০

ৰাজ্যখনত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণে সৃষ্টি কৰা পৰিস্থিতিৰ বুজ লোৱাৰ বাবে কালি কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল অসমলৈ আহিছে। ৰাজ্যখনৰ কেইবাখনো জিলাৰ বিভিন্ন স্থানত এই ৰোগৰ সংক্ৰমণ ক্ৰমাৎ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মীন, পশুপালন, দুগ্ধ আৰু ভূপালৰ পশু ৰোগ সম্পৰ্কীয় ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ দলটোৱে বিভিন্ন দিশ পৰ্যালোচনা কৰিব। দলটোৱে ধেমাজি, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাত পৰিস্থিতিৰ বুজ লোৱাৰ সম্ভাৱনা আছে। প্ৰতিনিধিসকলে এই ৰোগৰ সংক্ৰমণৰ সকলো দিশ চালি-জাৰি চোৱাৰ পাছত ইয়াৰ নিয়ন্ত্ৰণৰ বাবে কৰ্ম পৰিকল্পনা যুগুত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক প্ৰতিবেদন দাখিল কৰিব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰায় ৩৬৩ টা স্থানত গাহৰিৰ দেহত এই ৰোগৰ সংক্ৰমণ হৈছে। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০২০ চনৰ পৰা ৰাজ্যখনত ৪৫ হাজাৰৰো অধিক গাহৰি এই ৰোগৰ ফলত মৃত্যুমুখত পৰিছে আৰু চাৰে ১২ হাজাৰৰো অধিক গাহৰি পালকৰ ক্ষতি হৈছে। অসমৰ উপৰি পঞ্জাৱ, হাৰিয়ানা, ওড়িশা আৰু চুবুৰীয়া ৰাজ্য মেঘালয়ৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আন কেইবাখনো ৰাজ্যত এই ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বহিঃৰাজ্যৰ পৰা গাহৰিৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। ৰাজ্যখনত চলিত বছৰত এই ৰোগত আক্ৰান্ত হৈ প্ৰায় দুহেজাৰ ৫০০ টা গাহৰি মৃত্যুমুখত পৰিছে আৰু সুৰক্ষাজনিত ব্যৱস্থা হিচাপে প্ৰায় ছহেজাৰ গাহৰি নিধন কৰা হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

সমাপ্ত